# জয়ন্ত মহাপাত্ৰৰ কবিতা

**এজন নিৰুদ্দিষ্ট ব্যক্তি**

এগৰাকী মহিলাই
এটা অন্ধকাৰ কোঠালিত
তাইৰ প্ৰতিবিম্ব দাপোণখনত বিচাৰি উলিয়াব পৰা নাই

তন্দ্ৰালু অৱস্থাত
আন দিনাৰ দৰে বাট চায়।

তাই হাতেৰে ধৰি থকা
তেলৰ লণ্ঠনটোৰ
নিচাগ্ৰস্ত হালধীয়া শিখাবোৰে জানে
তাইৰ নিঃসংগ শৰীৰটো ক'ত লুকাই থাকে।

**অনু : প্ৰকল্প ৰঞ্জন ভাগৱতী**

মূল কবিতা: ‘A Missing Person’
উৎস: *Ten Twentieth Century Indian Poets*

**জয়ন্ত মহাপাত্ৰ** (জ. ১৯২৮–মৃ.২০২৩) ইংৰাজী ভাষাৰ এগৰাকী ভাৰতীয় কবি। ইংৰাজী ভাষাত সাহিত্য অকাদেমি বঁটা লাভ কৰা তেৱেঁই প্ৰথমগৰাকী ভাৰতীয় কবি।